# অসম আদিত্য

১ ব'হাগ, ১৯৪৬ শক ■ মঙলবাৰ, ১৪ মে', ২০২৪ ■ Asom Aditya, Dibrugarh, Tuesday, May 14, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা


দওৱাৰে অনুষ্ঠিত বহুৱা নৃত্যক লৈ
সানোৱাল গাঁৱত উখল-মাখল
বিৰাজ কৰে। অনুষ্ঠানটিত খোৱাং
ায়ক চক্ৰধৰ গগৈ, ডিব্ৰুগড় জিলা
ৰুণৰ অধ্যক্ষ অসীম হাজৰিকাকে আদি
ন বিশিষ্ট অতিথি উপস্থিত থাকে।

## ' আয়োজন

ইন্দ্ৰ গগৈয়ে অনুষ্ঠানটোত ক্ৰমে
মাৰু সন্মানীয় অতিথি হিচাপে
থকাৰ কথা। ১১ বজাৰ পৰা আৰম্ভ
যোগিতা। 'আকাশ'ৰ আহ্বায়ক
সন্দিকৈ গগৈয়ে আঁত ধৰিবলগীয়া
াত বিয়া নাম (একক), দিহা নাম
, বনগীত আৰু লোকগীত
তা অনুষ্ঠিত হ'ব। বিয়লি ২.৩০
বিতৰণ আৰু অভিনন্দন অনুষ্ঠান।
ত ৰাইজৰ সহায় সহযোগিতা,
ব্ৰাঞ্চা কৰিছে ডিব্ৰুগড় জিলা
ভাৰ সম্পাদক বদন গগৈ আৰু
জিলা সাহিত্য সভাৰ 'আকাশ'ৰ
সুৰজিতা সন্দিকৈ গগৈয়ে।

# কানৈ কলেজৰে-নয়দাৰ জিএনআইঅ'টিৰ বুজাবুজি চুক্তি




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ মে' ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় আৰু গ্ৰেটাৰ নয়দাস্থিত গ্ৰেটাৰ নয়দা ইন্‌ষ্টিটিউট অৱ টেকন'লজি (জি এন আই অ' টি), ইন্‌ষ্টিটিউট অৱ মেনেজমেণ্ট ষ্টাডিজৰ মাজত ১১ মে'ত হোটেল ৰাজ মেৰিডিয়ানৰ সভাকক্ষত এক বুজাবুজি চুক্তি সম্পন্ন হয়। কানৈ মাহবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ অনুপজ্যোতি ভৰালী, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড০ জ্যোতিপ্ৰসাদ ফুকন, সমন্বয়ক উদ্ভাৱন অধ্যাপক আদিত্য দাহাল, জি এন আই অ' টিৰ গ্ৰুপ হেড পংকজ কুমাৰ, জিমছৰ ৰিজ'নেল হেড প্ৰদীপ দে', জি এন আই অ' টিৰ উপ-সভাপতি চন্দ্ৰকান্ত সিং আৰু কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা স্বেচ্ছাসেৱী সংগঠন স্পিয়েৰৰ অধ্যক্ষ জ্যোতিময় হাজৰিকাৰ উপস্থিতিত উক্ত বুজাবুজি চুক্তিত স্বাক্ষৰ কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড০ ৰঞ্জন চাংমাই, ডিব্ৰুগড় চৰকাৰী বালক বিদ্যালয়ৰ অধ্যক্ষ হৃদয় চৌধুৰী, গুৰুকুলৰ অধ্যক্ষ বাসৱী ভট্টাচাৰ্য হাজৰিকা, ড০ ৰাধাকৃষ্ণন বিদ্যালয়ৰ অধ্যক্ষ বিকাশ গগৈকে ধৰি ডিব্ৰুগড় চহৰৰ ভালেকেইখন শিক্ষানুষ্ঠানৰ অধ্যাপক-অধ্যাপিকা, স্বেচ্ছাসেৱী সংগঠন স্পিয়েৰৰ বিষয়ববীয়াৰ লগতে চহৰখনৰ ভালেসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে উক্ত বুজাবুজি চুক্তিৰ জৰিয়তে দুয়োখন শিক্ষানুষ্ঠানৰ মাজত শৈক্ষিক প্ৰক্ৰিয়া অধিক ক্ষিপ্ৰতৰ কৰিবৰ বাবে শৈক্ষিক বিনিময়, আলোচনা-চক্ৰ, কৰ্মশালা, প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰাৰ লগতে বিভিন্ন ধৰণৰ গৱেষণামূলক কাৰ্যসূচী অনুষ্ঠিত কৰাত বহুখিনি সুবিধা হ'ব।